# প্ৰজননৰ বাবে ঘৰচীয়া জীৱ-জন্তুৰ বাচনি

আমি সকলোৱে জানো যে ল'ৰা-ছোৱালীয়ে সিহঁতৰ সকলো বংশগত গুণানুগুণ মাক-দেউতাকৰ পৰাই পায়। ইয়াৰে আধা মাকৰ পৰা আৰু বাকী আধা দেউতাকৰ পৰা আহে। “মাক-দেউতাক ভাল হ'লে ল'ৰা-ছোৱালীও ভাল হয়' - কথাষাৰ আমাৰ সকলোৰে বিদিত।

ওপৰৰ কথাখিনি ঘৰচীয়া জীৱ-জন্তুৰ ক্ষেত্ৰটো সমানে প্ৰযোজ্য। গৰু-ছাগলী, হাঁহ-কুকুৰা, গাহৰি আদিৰ উৎপাদন ক্ষমতা তথা বেমাৰ প্ৰতিৰোধ শক্তিও মাক-বাপেকৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। সকলো জীৱ-জন্তুৰ দৃশ্যমান গুণানুগুণ সিহঁতৰ বংশ আৰু পাৰিপাৰ্শ্বিকতাই নিয়ন্ত্ৰণ কৰে। পাৰিপাৰ্শ্বিক বুলিলে আমি মূলত খাদ্য, প্ৰতিপালন আৰু জলবায়ুকে বুজাওঁ। বংশগত গুণানুগুণ যদি ভাল নহয়, আমি যিমানেই ভালধৰণে প্ৰতিপালন নকৰো কিয়, জীৱ-জন্তুৰ পৰা অধিক উৎপাদন পাব নোৱাৰো। জীৱ-জন্তুৰ বংশগত গুণানুগুণ উন্নত কৰিব হ'লে বিজ্ঞানসন্মত প্ৰজনন ব্যৱস্থা গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজনীয়।

ওপৰোক্ত দিশকেইটা তলৰ ত্ৰিভুজটোৱে স্পষ্টভাৱে প্ৰতিফলন কৰে।




ত্ৰিভুজটোৱে ইয়াকে সূচায় যে খাদ্য, প্ৰতিপালন আৰু বিজ্ঞানসন্মত প্ৰজনন তিনিটা দিশ সমানেই প্ৰয়োজনীয়। ইয়াৰে যিকোনো এটাৰ অবিহনে ঘৰচীয়া জীৱ-জন্তুৰ পৰা অধিক উৎপাদন পোৱাটো সম্ভৱ নহয়।

বিজ্ঞানসন্মত প্ৰজনন ব্যৱস্থা বুলিলে আমি মূলত দুটা কথাকেই বুজো। সেয়া হ'ল -

(ক) অধিক গুণসম্পন্ন মতা আৰু মাইকীৰ প্ৰজননৰ বাবে বাচনি আৰু

(খ) প্ৰজননৰ বাবে বাচনি কৰা মতা আৰু মাইকীৰ বিজ্ঞানসন্মত মিলন ঘটোৱা।

**প্ৰজননৰ বাবে বাচনি ঃ**

যদিওবা মতা-মাইকীৰ বাচনিৰ ক্ষেত্ৰত বিজ্ঞানসন্মত ব্যৱস্থাৱলী আছে সেই বিষয়ে ইয়াত সবিশেষ ক'বলৈ যোৱা নাই কাৰণ এই ব্যৱস্থাৱলী বেলেগ বেলেগ জীৱ-জন্তুৰ কাৰণে ভিন ভিন। সেয়েহে খেতিয়ক ৰাইজে উপকৃত হ'ব পৰাকৈ থোৰতে কেইটামান বিশেষ মন কৰিবলগীয়া কথাহে তলত উল্লেখ কৰা হ'ল -

(ক) ভালৰো ভাল জীৱ-জন্তুকহে প্ৰজননৰ সুবিধা দিব লাগে।

(খ) মতাই হওক বা মাইকীয়েই হওক সুস্বাস্থ্যবান আৰু অধিক বাঢ়ন ক্ষমতা থকা জীৱ-জন্তুকহে প্ৰজননৰ বাবে বাচনি কৰিব লাগে।

(গ) যিবিলাক পোৱালি জীৱ-জন্তু ৰুগীয়া আৰু নিশকতীয়া তেনে জীৱ-জন্তুৰ পৰা ভাল পোৱালি আশা কৰা মিছা।

(ঘ) আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, বাচনি কৰা জীৱ-জন্তুবোৰ অধিক উৎপাদনশীল হোৱাৰ উপৰিও সিহঁত প্ৰজননক্ষম হ'ব লাগি।

বহুতো ক্ষেত্ৰত আমাৰ কিছুমান ভুল ধাৰণা আছে যেনে - গাইজনী ভাল হ'লে পোৱালিটোও ভাল হ'ব। পোৱালিটো তেতিয়াহে ভাল হ'ব, যদি গাইজনীৰ মিলন ঘটোৱা ষাড় গৰুটোৰ বংশগত গুণানুগুণ ভাল হয়। ষাড় গৰুৱে গাখীৰ নিদিলেও তাৰ কিন্তু গাখীৰ দিয়াৰ বংশগত গুণসমূহ পূৰা মাত্ৰাই থাকে। সেয়েহে ষাড় গৰুটো বাচনি কৰোতে ই সুস্বাস্থ্যবান হোৱাৰ উপৰিও তাৰ মাক গাইজনী, ভনীয়েক (খীৰতী) তথা উক্ত ষাড় গৰুটোৰ যদি খীৰতী পোৱালি আছে, সিঁহতৰ আটাইৰে গাখীৰ উৎপাদন অধিক হোৱাটো নিতান্তই প্ৰয়োজনীয়।

তেনেহ'লে এতিয়ালৈকে আমি এটা কথাই বুজি পালো যে প্ৰজননৰ বাবে বাচনি কৰা জীৱ-জন্তু অধিক উৎপাদনক্ষম

হ'ব লাগিব। এটা জন্তুৰ বা চৰাইৰ উৎপাদন ক্ষমতাৰ মাপকাঠি বহুতো। উদাহৰণস্বৰূপে এটা অধিক উৎপাদনক্ষম গাই গৰু বুলিলেনো আমি কি বুজো? আমি ইয়াকে বুজো যে গাইজনীয়ে দৈনিক বেছিকৈ গাখীৰ দিয়ে, পোৱালি দিয়াৰ পিচত দীৰ্ঘদিন ধৰি গাখীৰ দিয়ে, গাখীৰ নিদিয়াকৈ কম দিন থাকে, দুটা পোৱালিৰ মাজৰ জন্মৰ ব্যৱধান যথাসম্ভৱ কম হয় আৰু জীৱনৰ প্ৰথমটো পোৱালি কম বয়সত দিয়ে ইত্যাদি। সেয়েহে আমি প্ৰজননৰ বাবে বাচনি কৰা জীৱ-জন্তুবোৰৰ উৎপাদনক্ষমতা ভালদৰে বিশ্লেষণ কৰাটো অতীব প্ৰয়োজনীয়। সঠিক বিশ্লেষণৰ কাৰণে প্ৰতিটো পোহনীয়া জীৱ-জন্তুৰ উৎপাদনৰ বিভিন্ন দিশ তথা স্বাস্থ্য সম্পৰ্কীয় সকলো তথ্য-পাতি লিখিতভাৱে সংৰক্ষণ কৰাটো লাভদায়ক, কিয়নো সময়ত ই খেতিয়ক ৰাইজক জীৱ-জন্তু বাচনি কৰাত সহায়ক হ'ব।

**বাচনি কৰা মতা-মাইকীৰ মিলন ঃ**

মতা-মাইকীৰ মিলন প্ৰাকৃতিভাৱে তথা কৃত্ৰিম প্ৰজনন ব্যৱস্থাৰ জৰিয়তে কৰা হয়। প্ৰাকৃতিকভাৱে হওক বা কৃত্ৰিম ভাবেও হওক মতা-মাইকীৰ মিলন ঘটাওতে খেতিয়কসকলে এটা কথা মনত ৰখা উচিত যাতে মিলন ঘটোৱা মতা-মাইকী হাল ঘনিষ্ঠভাৱে তেজৰ সম্পৰ্কে থকা নহয়। ঘনিষ্ঠ ভাবে তেজৰ সম্পৰ্ক থকা মতা-মাইকীৰ মিলন ঘটালে, পোৱালিবোৰ ৰুগীয়া তথা নিম্নমানদণ্ডৰ হোৱাটো পৰিলক্ষিত হয় যিটো আমাৰ কাম্য নহয়।

থোৰতে ক'বলৈ গ'লে খেতিয়কসকলে তলত দিয়া কথা কেইটা মনত ৰাখে যেন -

(ক) অধিক উৎপাদনক্ষম তথা স্বাস্থ্যবান জীৱ-জন্তুকহে প্ৰজননৰ বাবে বাচনি কৰক।

(খ) প্ৰজননৰ বাবে জীৱ-জন্তুৰ বাচনিৰ সহায়ক হোৱাকৈ সিঁহতৰ উৎপাদন তথা স্বাস্থ্য সম্পৰ্কীয় তথ্য-পাতি লিখিত আকাৰে সংৰক্ষণ কৰক।

(গ) ঘনিষ্ঠভাৱে তেজৰ সম্পৰ্ক থকা মতা-মাইকীৰ মিলন হোৱাত বাধা দিয়ক।

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫০১৩)**